…নই প্ৰকৃত সাহসী
নিজৰ বাৰ্থতাৰ কথা-
…টি স্বীকাৰ কৰিব পাৰে
…সই ব্যৰ্থতাৰ শিক্ষাৰে
…তাৰ পথত বাট বুলিব.

—মৰিচ চেভালিয়া

# দৈনিক জনমভূমি

আজিৰ দিনটোত

- ১৯২৪ত ৰুছ বিপ্লৱৰ নেতা লেনিনৰ…
- ১৯৩০ত প্লুটো গ্ৰহ আৱিষ্কাৰ।
- ১৯৫০ত ইংৰাজ ঔপন্যাসিক জৰ্জ অ…
- ১৯৫৮ত ভাৰতত কপিৰাইট আইন…

৫৩ সংখ্যক বছৰ ● তিনিচুকীয়া, একবিংশতিতম বছৰ, সংখ্যা ১৩৪ ● মঙলবাৰ ● ৭ মাঘ, ● ১৯৪৬ শক ● DAINIK JANAMBHUMI ● Tinsukia ● Tuesday ● January 21, 2025



## কানৈ মহাবিদ্যালয়ত মনোজ্ঞ অনুষ্ঠান ■ 'উত্তৰণ' উন্মোচন কৰিলে ডিব্ৰুগড় বিশ্ববিঃৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই

# জয়ন্ত বৰুৱাক হাছান ছৰিফ আহমেদ সমন্বয় বঁটা প্ৰদান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২০ জানুৱাৰী ঃ 'কানৈ মহাবিদ্যালয়ৰ নৈসৰ্গিক পৰিৱেশে মোক অভিভূত কৰিছে।' ডি এইচ এছ কানৈ জয়ন্ত বৰুৱাই আজি এইদৰে কয়। মহাবিদ্যালয়ৰ মুখ্য দ্বাৰৰ পৰা বৰুৱাক গায়ন-বায়ন, এন চি চিৰে সভাগৃহলৈ আদৰণি জনাই অনা



মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰগতিশীল সাংস্কৃতিক সৈনিক, সমন্বয়ৰ প্ৰতীক, শিল্পী পেঞ্চনাৰ হাছান ছৰিফ আহমেদৰ নামত প্ৰদান কৰা 'হাছান ছৰিফ আহমেদ সমন্বয় বঁটা' গ্ৰহণ কৰি সাদিন, প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ, অসমীয়া প্ৰতিদিন কাকতৰ সম্পাদক সভাত বৰুৱাই অসমৰ বৌদ্ধিক শিক্ষাৰ ক্ষেত্ৰখনৰ কথা উল্লেখ কৰি কয়— যেতিয়াই অসমীয়া ভাষা, অসমীয়া সাহিত্য, সংস্কৃতিৰ ওপৰত প্ৰত্যাহ্বান আহিছে, সেই সময়ত এই প্ৰত্যাহ্বান আঁতৰোৱাৰ ক্ষেত্ৰত বৌদ্ধিক ক্ষেত্ৰৰ পুৰোধা ব্যক্তিসকলকৰ যি অৱদান সেই অৱদান বৰ্ণনাতীত। আবৃতা লীজা পাঠকে আঁত ধৰা অনুষ্ঠানটোত বৰুৱাই তেওঁৰ আজো ককাক হেমচন্দ্ৰ বৰুৱাৰ জীৱনকৃতি তথা অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়াই যোৱা অমূল্য অৱদানৰ কথা উল্লেখ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই কয়— সমাজত একো একোজন ব্যক্তিৰ চৰিত্ৰ তিনি ধৰণে প্ৰতিফলিত হয়। সমাজৰ আগত প্ৰকাশ কৰা চৰিত্ৰ, অন্তৰ্নিহিত চৰিত্ৰ আৰু নিজে ভবা চৰিত্ৰটো সম্পূৰ্ণ বেলেগ হয়। অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ উন্নয়নৰ খতিয়ান লিপিবদ্ধ কৰি প্ৰকাশ কৰা গ্ৰন্থ 'উত্তৰণ' হাজৰিকাই উন্মোচন কৰে।

শীতকালীন সকলো আধুনিক ফেশ্বনৰ বস্ত্ৰৰ ওপৰত
১০% ৰ পৰা ৩০% ৰেহাই দিয়া হৈছে
আজিয়েই আহক
মহিলাৰ চুৱেটাৰ, ব্লেজাৰ (১৫৫০), শ্বল, উলেন লেগিংছ, পুৰুষৰ চ্যুট, কোট, জেকেট, চুৱেটাৰ, উলেন পায়জামা, মুদী জেকেট (৬০০), ৱাছকোট (৪৫০)
খৰধৰ কৰক ছিলেকচন / পুৰণা বালিবাট, যোৰহাট-১

No.NIT/JTTRD/2024-25/001/ 3680

**PRESS NOTICE FOR RE-INVITING TENDER**

Executive Engineer PWD, Jorhat & Titabor Territorial Road Division on behalf of Governor of Assam re- invites bids for 7 (Seven) Nos. of works under SOPD-G for the year 2024-25 under Jorhat and Titabor LAC from approved and eligible contractors registered with Public Works Dept. (Roads), Assam for total amount of Rs.101.02 Lakh (Approx) inclusive of GST & Labour Cess)

The Bid can be purchased from the office of the undersigned during office hours from 24-01-2025, 11.00 A.M. to 27-01-2025, 2.30 P.M. by submitting application along with cost of bid document (as per DNIT) in the form of DD of scheduled commercial bank drawn in favour of Empowered officer, Assam State Road Board, Assam and payable at Guwahati (A/c No-10566991479 of SBI) (Non-refundable).

Executive Engineer P.W.D.

## মৃত্যুৰ বাতৰি

### ডিম্বেশ্বৰ মুক্তিয়াৰ



তিতাবৰ ঃ নিজা প্ৰতিবেদক, ২০ জানুৱাৰী ঃ তিতাবৰ বগাৰ গাঁৱৰ নিৱাসী গাঁওখনৰ সৰবৰহী ব্যক্তি সমাজকৰ্মী ডিম্বেশ্বৰ মুক্তিয়াৰৰ (৭৮) আজি পুৱা নিজা বাসগৃহত মৃত্যু হয়। তেওঁ এজন ধৰ্মপৰায়ণ ব্যক্তি হোৱাৰ উপৰি অঞ্চলটোৰ বিভিন্ন … কৰিছিল আৰু ২০০০ চনত উক্ত কাৰ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ পত্নী, দুজন পুত্ৰ-বোৱাৰীসহ বহু আত্মীয়ক এৰি গৈছে। বৰাৰ মৃত্যুৰ খবৰ অঞ্চলটোত বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ গুণমুগ্ধ ৰাইজে তেওঁৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৰাৰ মৃত্যুত জ্যেষ্ঠ নাগৰিক সন্মিলন, শাখা সাহিত্য সভা, প্ৰেছ ক্লাব, নাট্য সমাজ, পৌৰসভা, মাহমৰা ৰাজহ চক্ৰ কাৰ্যালয়ে শোকপ্ৰকাশ কৰিছে।

### পতলা বৰদলৈ